# ৰবীন্দ্ৰনাথৰ পোষ্ট-মাষ্টাৰ ঃ এটি বিশ্লেষণ

■ড° পৰাগ কুমাৰ ভট্টাচাৰ্য

চুটিগল্পই সাধাৰণতে প্ৰকাশ কৰে চকুত নপৰা সাধাৰণ মানুহ (Submerged)ৰ নিঃসঙ্গ জীৱন চিত্ৰ। গল্প সাহিত্যৰ সূচনা পৰ্বৰ লেখক গোগলে গল্প আৰম্ভ কৰিছিল এজন সাধাৰণ কেৰাণীক লৈ। অভাৱ পীড়িত সেই কেৰাণীজনে জীৱনৰ সঞ্চয়ৰ সৰ্বস্ব শেষ কৰি চিলাই লৈছিল এটা ওভাৰকোট। বন্ধুই দিয়া পাৰ্টিত যোগদান কৰি উভতি আহোতে সেই নিমাখিত কেৰাণীৰ গাৰ পৰা দুৰ্বৃত্তই কোটটো কাঢ়ি লৈ গ'ল। হেৰোৱা কোটটো ওভটাই পোৱাৰ আশা কৰি তেওঁ যেতিয়া ডাঙৰ ডাঙৰ বিষয়াসকলৰ ওচৰ চাপিল তেওঁলোকৰ পৰা সুবিচাৰ পোৱাৰ পৰিৱৰ্তে পালে গঞ্জনা আৰু অপমান। তাৰ বেদনা সহ্য কৰিব নোৱাৰি বেচেৰা কেৰাণী মৰি থাকিল। গোগলৰ এই আদৰ্শই পৰৱৰ্তী গল্পকাৰসকলক বিশেষভাৱে প্ৰভাৱিত কৰিলে। সেয়ে প্ৰখ্যাত কবি আৰু গল্পকাৰ টুৰ্গেনিভে মন্তব্য কৰিছিল — 'We all come out from under Gogol's Overcoat'

এই চকুত নপৰা সাধাৰণ শ্ৰেণীক গল্পত তুলি ধৰিবলৈ টুৰ্গেনিভে তেওঁৰ গল্পত অংকন কৰিলে দাস শ্ৰেণীৰ, মোপাচাঁই পতিতা আৰু বেশ্যাৰ, চেকভে শিক্ষক, ডাক্তৰ, কেৰাণী শ্ৰেণীৰ মৰ্মস্পৰ্শী জীৱন চিত্ৰ। ভাৰতীয় সাহিত্যৰ পুৰোধা বাংলা গল্পকাৰ ৰবীন্দ্ৰনাথেও তেওঁৰ গল্পত এই সাধাৰণ জীৱন চিত্ৰ প্ৰকাশ কৰাৰ পাছৰ



পৰা সেই গল্পবোৰ হৈ পৰে গভীৰ আবেদনপূৰ্ণ। ৰবীন্দ্ৰনাথৰ এই পৰ্ব আৰম্ভ হৈছে তেওঁ শিলাইদহৰ জমিদাৰী কাৰ্য পৰিচালনা কৰিবলৈ লোৱাৰ পৰা। ইয়াতেই তেওঁৰ পৰিচয় ঘটে সৰ্বসাধাৰণ মানুহৰ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোনৰ স'তে। ইয়াৰ পটভূমিতেই তেওঁ ৰচনা কৰিলে উৎকৃষ্ট গল্পসমূহ।

এই প্ৰসংগত হুমায়ুন কবীৰে কৈছে —

'Many were Surprised that the Maharshi should select his young son, already known as a Poet and dreamer, to be in charge of the family properties. Tagore soon proved that his father acted wisely on making a poet the manager of an estate. What is of interest to us is that made Tagore live for years in the village of East Bengal. Much of this time he spent on a boat among the sand bank of Padma and thus come into intimate contact with nature and man in rural Bengal.'

কবি ৰবীন্দ্ৰনাথে নিজে উপলব্ধি কৰিছিল শিলাইদহৰ জীৱনে তেওঁক যে সাধাৰণ জীৱনৰ অভিজ্ঞতাক পূৰঠ কৰি তুলিছিল। ইয়াৰ লগতে প্ৰাকৃতিক চেতনা, জীৱনৰ তত্ত্বসমৃদ্ধ অনুভৱ এই কালছোৱাতেই প্ৰখৰ হৈ উঠিল। 'পোষ্টম্মাষ্টাৰ' গল্পত তেওঁৰ এই মানসিক ধৰ্মবোধেই প্ৰকাশি উঠিছে।

ৰবীন্দ্ৰনাথে 'পোষ্ট-মাষ্টাৰ' গল্প লেখাৰ আগৰ পৰা তেওঁৰ শিলাইদহৰ জীৱন আৰম্ভ হৈছে। নাগৰিক আভিজাত্যৰ পৰা তেওঁ নামি আহিছে পদ্মাতীৰৱৰ্তী গাঁৱৰ জীৱনলৈ। পোষ্ট-মাষ্টৰ গল্পৰ নায়ক পোষ্ট-মাষ্টাৰজনো কলিকতাৰ নাগৰিক পৰিৱেশৰ পৰা গুচি আহিছে উলাপুৰ গাঁৱত চাকৰি কৰিবলৈ। গল্পত তেওঁ অখ্যাত নামহীন এজন ব্যক্তি। তেওঁৰ পৰিচয়ে হ'ল পোষ্ট-মাষ্টাৰ। নগৰৰ পৰা অহা পোষ্ট-মাষ্টাৰৰ গাঁৱৰ জীৱন হৈ পৰিল বিৰক্তিকৰ। তেওঁৰ নিসংগতাৰ সংগী মাথোন ৰতন নামৰ কিশোৰী এজনী। তাই পোষ্ট-মাষ্টাৰৰ ইটো-সিটো আলপৈচান ধৰে। পোষ্ট-মাষ্টাৰে সময় কটাবৰ বাবে তাইৰ ওচৰত বহি তাইক আখৰ জোঁটনিৰ শিক্ষা দিয়ে। মাজে মাজে প্ৰকৃতিক লৈ দুই-এটা কবিতা লেখিবলৈ চেষ্টা কৰিলে। কিন্তু গাঁৱৰ সেই পৰিৱেশত ক্ৰমে তেওঁ মিলিব নোৱাৰা হৈ পৰিল আৰু এদিন তেওঁ বেমাৰৰ দ্বাৰাও আক্ৰান্ত হ'ল। এই বেমাৰৰ সময়তে ৰতনৰ আৰু এটি নাৰী ৰূপ তেওঁ প্ৰত্যক্ষ কৰিলে। এইবাৰ তাই মাতৃসুলভ পৰিচৰ্যাৰে পোষ্ট-মাষ্টাৰক আৰু বেছি আপোন কৰি তুলিলে।

বেমাৰৰ পৰা আৰোগ্য লাভ কৰি পোষ্ট-মাষ্টাৰে গাঁৱৰ সেই পৰিৱেশ এৰাৰ সংকল্প ল'লে। তেওঁ বদলিৰ বাবে উৰ্ধ্বতন কৰ্তৃপক্ষলৈ আবেদন জনালে। তেওঁক বদলি নকৰিলে চাকৰি এৰি দি হ'লেও গাঁৱৰ পৰিৱেশৰ পৰা আঁতৰি যোৱাৰ সংকল্প

গ্ৰহণ কৰিলে আৰু এদিন ৰতনক মাতি আনি গাঁও এৰাৰ কথাও ক'লে। ৰতনে ইমান সোনকালে পোষ্টমাষ্টাৰ গাঁৱৰ পৰা আঁতৰি যাব বুলি ভাবিবই পৰা নাছিল। তাই অনুৰোধ কৰিলে তাইক তেওঁৰ লগত লৈ যাবলৈ। পোষ্ট-মাষ্টাৰে সেয়া অসম্ভৱ বুলি কৈ কথাটো উৰুৱাই দিলে।

পোষ্ট-মাষ্টৰে অৱশেষত চাকৰি বাদ দি যাবলৈ ওলাল। নতুন পোষ্ট-মাষ্টাৰ আহিল কাৰ্যভাৰ ল'বলৈ। তেওঁ ৰতনৰ পৰা বিদায় ল'বলৈ গৈ তাইৰ হাতত তুলি দিলে তেওঁৰ দৰমহাৰ টকাকেইটা। তাই পোষ্ট-মাষ্টাৰৰ ভৰিত পৰি কৈ উঠিল — মোক একোৱে নেলাগে। মোৰ কাৰণে কোনোৱে চিন্তা কৰিব নেলাগে। কথাখিনি কৈ তাই দৌৰি গৈ অদৃশ্য হ'ল। ইপিনে পোষ্ট-মাষ্টাৰে বাটত যাওঁতে ৰতনৰ কথা এবাৰ ভাবিলে যদিও নিজকে নিজে সান্ত্বনা দিলে — জীৱনত এনে কত বিচ্ছেদ, কত মৃত্যু আছে, উভতি গৈ কি লাভ?

আনপিনে সৰলা ৰতনে পোষ্ট-মাষ্টাৰৰ স্মৃতিৰে ভৰা পোষ্ট-অফিচটো চাৰিওফালে ঘূৰি ফুৰিব ধৰিলে। চকুলো টুকি টুকিয়ে তাই আশা কৰিলে এদিন হয়তো তাইৰ প্ৰিয় মানুহজন আকৌ উভতি আহিব। কিন্তু তাইৰ সেই আশা মিছা মৰীচিকাৰ বাহিৰে যে আন একো নহয় তাকেই গল্পৰ শেষত ব্যক্ত কৰা হৈছে এনেদৰে — 'হায় শাস্ত্ৰৰ বিধান বহু পলমকৈ মূৰত প্ৰৱেশ কৰে। প্ৰবল প্ৰমাণকো অস্বীকাৰ কৰি মিছা আশাক দুই বাহুৰে বান্ধি বুকুৰ ভিতৰত প্ৰাণপণে সাবটি ধৰা যায়। অৱশেষত এদিন সমস্ত নাড়ী কাটি হৃদয়ৰ তেজ শুহি খাই সি পলায়ন কৰে। তেতিয়াহে চেতনা আহে আৰু দ্বিতীয় ভুলৰ কবলত পৰিবলৈ মন ব্যাকুল হৈ উঠে।'

ৰবীন্দ্ৰনাথৰ গল্প উপন্যাসত কাহিনীটো অৱলম্বন মাথোন তাক আশ্ৰয় কৰি তেওঁ প্ৰকাশ কৰে মানৱ জীৱনৰ অভেদ্য ৰহস্য। এই গল্পটোতো সাধাৰণ ঘটনা এটাক অৱলম্বন কৰি নাৰী পুৰুষৰ প্ৰেমৰ এক ৰহস্যময় ৰূপৰ বিশ্লেষণ কৰিছে। এই গল্পটোৰ মূল বিষয়েই হ'ল নাৰীৰ অবোধ অনুৰক্তি। তাক বেছি সমুজ্জ্বল কৰি তুলিছে এজন পুৰুষৰ উদাস অনাসক্তিয়ে। পোষ্ট-মাষ্টাৰ সেই পুৰুষৰ প্ৰতিনিধি। উলাপুৰ গাঁৱৰ পোষ্ট-অফিচলৈ কত চিঠি-পত্ৰ আহে কিন্তু তাৰ ভিতৰত কি লেখা আছে তাক যেনেকৈ পোষ্ট-মাষ্টাৰে নেজানে তেনেকৈয়ে নেজানিলে ৰতন নামৰ সাধাৰণ ছোৱালী এজনীৰ মনৰ খবৰ। অৱশেষত তাৰ কিঞ্চিৎ আভাস পালে যদিও দাৰ্শনিক প্ৰজ্ঞাৰে তেওঁ মনৰ সেই ভাব আঁতৰ কৰিলে। কিন্তু সহজ-সৰল আশাধাৰী সেই সাধাৰণ নাৰী ৰতনে এখনি নাৰী হৃদয়ৰ আকুলতা লৈ অপেক্ষা কৰি ৰ'ল সেই পুৰুষলৈ।



ৰবীন্দ্ৰনাথৰ গল্প-উপন্যাসত মানৱ চৈতন্যৰ আধুনিক বিশ্লেষণ প্ৰকাশি উঠিছে। এই গল্পৰ প্ৰেমৰ এটা সৰু কাহিনীৰ মাজত দুই নাৰী পুৰুষৰ মনস্তাত্ত্বিক বিশ্লেষণ অতি বাস্তৱৰূপত প্ৰকাশ পাইছে। ৰতনে পোষ্ট-মাষ্টাৰৰ প্ৰতি গভীৰ আকৰ্ষণ অনুভৱ কৰাৰ কাৰণ হ'ল শৈশৱৰ পিতৃৰ স্মৃতি পোষ্ট-মাষ্টাৰৰ যোগেদি তাইৰ মনত জাগৰিত হৈ উঠিছিল। বয়ঃসন্ধি কালৰ ৰতনৰ মনত সিয়ে জগাই দিছে পোষ্টমাষ্টাৰৰ প্ৰতি গভীৰ প্ৰেম। আনহাতে পোষ্ট-মাষ্টাৰে সজ্ঞানে ৰতনৰ প্ৰতি কোনো গভীৰ প্ৰেম পোষণ নকৰিলেও তাইৰ মাজত তেওঁ দেখা পাইছে জননীৰ স্নেহময়ী ৰূপ। ইয়াৰ লগতে প্ৰকাশি উঠিছে ৰতনৰ সহজ-সৰল প্ৰেম আৰু পোষ্ট-মাষ্টাৰৰ নাগৰিক যুক্তিবাদী প্ৰেমৰ এক তুলানাত্মক বিশ্লেষণ।

গল্পটোৰ শিল্প বৈভৱো মন কৰিবলগীয়া। ব্যঞ্জনা, শ্লেষ, উপমা, ৰূপক ইত্যাদিৰ প্ৰয়োগেৰে ই এক সুন্দৰ শিল্পলৈ ৰূপান্তৰিত হৈছে। বৰ্ণনাৰ সজীৱতাৰে গল্পৰ পটভূমি গঢ়ি তোলাৰ লগতে তাত অনুপম ভাবৰ ব্যঞ্জনা লেখকে মূৰ্ত কৰি তুলিছে। মানৱ মনৰ হাঁহি-কান্দোন, চঞ্চল ৰহস্যময়ী লীলাক প্ৰকৃতি বৰ্ণনাৰ মাজত লেখকে অভিব্যঞ্জিত কৰি তুলিছে। ঠিক তেনেকৈ সন্ধ্যাৰ গাঢ় অন্ধকাৰৰ মাজত ৰতন আৰু পোষ্ট-মাষ্টাৰৰ মিলনৰ পটভূমি ৰচনা কৰি তাক ৰহস্যময় কৰি তুলিছে। গল্পকাৰৰ ভাষাত 'সন্ধ্যা সময়ত যেতিয়া গাঁৱৰ গোহালিবোৰৰ পৰা ধোঁৱা কুণ্ডলী আকাৰে ওপৰলৈ উঠে, জোপোহাবোৰৰ আঁৰত ঝিলিয়ে মাতে, দূৰ গাঁৱৰ নিচাগ্ৰস্ত বাউলৰ দলে খো- কৰতাল বজাই উচ্চস্বৰে গান জুৰে, যেতিয়া অন্ধকাৰত অকলে বহি থাকি গছবোৰৰ কঁপনি দেখিলে, কবি হৃদয় জাগি উঠে। তেতিয়া ঘৰৰ কোণত এটি ক্ষীণ শিখাৰ চাকি জ্বলাই পোষ্ট-মাষ্টাৰে মাতে — 'ৰতন'। ৰতনে দুৱাৰমুখত বহি সেই মাতযাৰৰ কাৰণে অপেক্ষা কৰি থাকে, কিন্তু এবাৰ মাতিলেই তাই ঘৰৰ ভিতৰলৈ নাহে।

কিশোৰীৰ ছলা-কলাৰে ৰতনে এনেদৰে মোহময় প্ৰেমাবেগ প্ৰকাশ কৰে। কিন্তু ৰতনৰ মাজত পোষ্ট-মাষ্টাৰে মাতৃ আৰু ভগ্নীৰ ৰূপহে আৱিষ্কাৰ কৰিলে। বিশেষকৈ তেওঁৰ বেমাৰৰ সময়ত যেতিয়া কাৰোবাৰ সেৱা বিচাৰি তেওঁৰ মন আকুল হৈছিল ৰতনে স্নেহময়ী পৰেশৰে তেওঁক শুশ্ৰূষা কৰিলে আৰু এই নিবিড় সাহচৰ্যতে সেই কিশোৰীয়ে হৃদয়ত পোষ্ট-মাষ্টাৰৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিলে। কিন্তু সেই সময়ত পোষ্ট-মাষ্টাৰৰ পৰা তাই যেতিয়া তেওঁৰ বিদায়ৰ বাতৰি পালে তাইৰ মন স্বাভাৱিকতে বিষণ্ণ হৈ পৰিল। শোকাকুলা ৰতনৰ চিত্ৰ গল্পকাৰে ব্যঞ্জনাৰে মূৰ্ত কৰি তুলিলে পাৰিপাৰ্শ্বিক অৱস্থাৰ মাজত — 'বহু সময় ধৰি তাই একো কথা নক'লে। মিট-

মিটকৈ চাকিটো জ্বলিব ধৰিলে আৰু এঠাইত ঘৰৰ জীৰ্ণচাল ভেদ কৰি এখন মাটিৰ ঢাকনিত টপ টপকৈ বৰষুণৰ পানী পৰিব ধৰিলে।'

পোষ্ট-মাষ্টাৰেও অৱশেষত ৰতনৰ প্ৰতি এক গভীৰ বেদনা অনুভৱ কৰিলে। এজনী গাঁৱলীয়া ছোৱালীৰ মুখত যেন বিশ্বব্যাপী বৃহৎ অব্যক্ত মৰ্মব্যথা তেওঁ প্ৰত্যক্ষ কৰিলে; কিন্তু তাইৰ ওচৰলৈ তেওঁ উভতি যাব নুখুজিলে। মৃত অতীতৰ স্মৃতিৰ মাজেৰেই তেওঁ যাত্ৰা আৰম্ভ কৰিলে। তাৰ কথা বৰ্ণাবলৈ গৈ গল্পকাৰে কৈছে — 'কিন্তু তেতিয়া পালত বতাহ লাগিছে, বৰ্ষাৰ সোঁত খৰতৰ বেগেৰে প্ৰবাহিত হ'বলৈ ধৰিছে। গাঁও অতিক্ৰম কৰাত নদীৰ পাৰৰ শ্মশান দেখা গৈছে আৰু নদীৰ সোঁতত ভাঁহি গৈ থকা পথিকৰ উদাস হৃদয়ত তত্ত্বৰ উদয় হ'ল — জীৱনত এনে ক'ত বিচ্ছেদ, কত মৃত্যু আছে উভতি গৈ কি লাভ! পৃথিৱীত কোন কাৰ?'

গল্পটোত প্ৰয়োগ কৰা উপমা, প্ৰতীক আদিও অৰ্থব্যঞ্জক। গল্পটোৰ আৰম্ভণিতে এটা চিত্ৰধৰ্মী উপমাৰে পোষ্ট-মাষ্টাৰৰ বৰ্ণনা দাঙি ধৰিছো— 'আমাৰ পোষ্ট-মাষ্ট'ৰ কলিকতাৰ ল'ৰা। পানীৰ মাছ বামলৈ তুলিলে যেনেকুৱা অৱস্থা হয় এই গণ্ডগ্ৰামলৈ আহি পোষ্ট-মাষ্টাৰৰো সেই দশা উপস্থিত হৈছে।' বৰ্ষাৰ বিস্ফোৰিত নদী, পাৰৰ শ্মশান, নদীপ্ৰবাহত ভাসমান পথিক এই সকলোবোৰ চিত্ৰৰ প্ৰতীকী ব্যঞ্জনাই 'পোষ্ট-মাষ্টা'ৰ গল্পক এক অনবদ্য সৃষ্টি ৰূপে চিহ্নিত কৰিছে।

ৰবীন্দ্ৰনাথৰ গল্প বা উপন্যাসৰ বৰ্ণনাভঙ্গীৰ বিশেষত্ব হ'ল নৈৰ্ব্যক্তিকতা। এই গুণৰ বাবেই তেওঁৰ গল্পবোৰ বিশেষ সৌন্দৰ্যশালী হৈ পৰিছে। 'পোষ্ট-মাষ্টাৰ' গল্পৰ সমাপ্তিত সংযোগ কৰা দাৰ্শনিক তত্ত্বমূলক কথাখিনিয়ে গল্পৰ অবিচ্ছেদ্য অঙ্গ যেন হৈ পৰা নাই যেন লাগে। গল্পকাৰৰ এই বক্তব্যই ইয়াৰ সমাপ্তি আকৰ্ষণীয় হোৱাত যেন বাধা আৰোপ কৰিছে। তথাপিও 'পোষ্ট-মাষ্টাৰ' গল্পৰ মাজত প্ৰকাশ পোৱা ৰোমাণ্টিক চেতনা, দাৰ্শনিক উপলব্ধি আৰু শিল্প বৈভৱৰ কাৰণে ই এটা চিৰস্মৰণীয় গল্প হৈ ৰ'ব।

—সমাপ্ত—

Scanned with CamScanner